**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-02-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কেইবাটাও প্ৰকল্প উদ্বোধনৰ উদ্দেশ্যে পৰহিলৈ অসমলৈ আহিব।

২। ভাৰতবৰ্ষ বিদ্যুতৰ ঘাটি ৰাষ্ট্ৰৰ পৰা অতিৰিক্ত বিদ্যুৎ উৎপাদনকাৰী ৰাষ্ট্ৰ হোৱাৰ দিশে অগ্ৰসৰ হৈছে বুলি শক্তি দপ্তৰৰ ৰাজ্যমন্ত্ৰী শ্ৰীপদ য়েছো নায়িকে মন্তব্য কৰিছে।

৩। কেন্দ্ৰীয় বাণিজ্য সংঘ আৰু বিভিন্ন শ্ৰমিক সন্থাৰ আহ্বানমৰ্মে ৰূপায়ণ হোৱা সাধাৰণ ধৰ্মঘটৰ মিশ্ৰিত প্ৰভাৱ দেশজুৰি পৰিলক্ষিত হৈছে।

৪। বাংলাদেশত কটকটীয়া নিৰাপত্তাৰ মাজত সংসদীয় নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে।

আৰু

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত শ্ৰীলংকাই ওমানক জয়ৰ বাবে ২২৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

ooooooooo

কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পৰহিলৈ অসমলৈ আহিব। শ্ৰীমোদীয়ে অহা শনিবাৰে জৰুৰীকালীন অৱস্থাত উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাবে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। ইয়াৰ পূৰ্বে তেওঁ প্ৰথমে চাবুৱাস্থিত বায়ুসেনা ঘাটিত উপস্থিত হ'ব আৰু তাৰ পৰা মৰাণলৈ যাব। এই জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰখন বায়ুসেনাৰ কাৰণে কৌশলগত বিষয়ত বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। যুদ্ধ অথবা যিকোনো জৰুৰীকালীন অৱস্থাত পৰম্পৰাগত বিমান বন্দৰসমূহ অচল হৈ পৰিলে এই বিকল্প অৱতৰণ ক্ষেত্ৰ সেনাবাহিনীৰ বাবে ফলপ্ৰসূ হ'ব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ প্ৰস্তুতিৰ অংশ হিচাপে কালি ডিব্ৰুগড়ৰ মৰাণত ভাৰতীয় বায়ুসেনাৰ যুঁজাৰু বিমানে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত পৰীক্ষামূলক উৰণ আৰু অৱতৰণ সম্পন্ন কৰে। ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত কালি ছুখয়-থাৰ্টি, ৰাফেল, তেজছ্ যুঁজাৰু বিমানৰ লগতে হাৰ্কিউলিছ্ আৰু এণ্টন'ভ এ এন থাৰ্টি-টু পৰিবহণ বিমানে অৱতৰণ আৰু উৰণৰ কৌশল প্ৰদৰ্শন কৰে।

প্ৰধানমন্ত্ৰী মোডী মৰাণৰ পৰা গুৱাহাটীলৈ আহিব। গুৱাহাটীত তেওঁ ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুখন মুকলি কৰিব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান-আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰিব আৰু কেন্দ্ৰীয় পুঁজিৰে ক্ৰয় কৰা ১০০ খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে আমিনগাঁৱত হাইপাৰ স্কেল তথ্য

কেন্দ্ৰ মুকলি কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত বিজেপিৰ দলীয় কৰ্মীসকলৰ এখন বৈঠকতো অংশগ্ৰহণ কৰিব।

০০০০০০০০০

ভাৰতবৰ্ষ বিদ্যুতৰ ঘাটি থকা ৰাষ্ট্ৰৰ পৰা অতিৰিক্ত বিদ্যুৎ উৎপাদনকাৰী ৰাষ্ট্ৰ হোৱাৰ দিশে অগ্ৰসৰ হৈছে বুলি শক্তি দপ্তৰৰ ৰাজ্যমন্ত্ৰী শ্ৰীপদ য়েছো নায়িকে মন্তব্য কৰিছে। লোকসভাত আজি শূন্যকালত সোধা পৰিপূৰক প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ২০১৪ চনৰে পৰা শক্তিখণ্ডত ভালেমান সংস্কাৰৰ সূচনা কৰা হৈছে। তেওঁ কয় যে ভাৰতে সম্প্ৰতি কেইবাখনো চুবুৰীয়া ৰাষ্ট্ৰলৈ বিদ্যুৎ যোগান ধৰি আছে। দেশৰ অৰ্থব্যৱস্থা টনকিয়াল কৰি তোলাত শক্তিখণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। শ্ৰীনায়কে কয় যে বিত্তীয় অনুশাসনৰ জৰিয়তে বিদ্যুৎ বিতৰণ খণ্ডক অধিক শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে অচিৰেই বিদ্যুৎ সংশোধনী বিধেয়ক উত্থাপন কৰা হ'ব।

০০০০০০০০০

ৰাজ্যসভাত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই ওড়িশাৰ অংগনবাড়ী কেন্দ্ৰত জাতিৰ ভিত্তিত বৈষম্য হোৱা বুলি উঠা অভিযোগক লৈ উদ্বেগ প্ৰকাশ কৰিছে। ৰাজ্যসভাত আজি শূন্যকালত বিষয়টো উত্থাপন কৰি শ্ৰীখাৰ্গে কয় যে একবিংশ শতিকাত ভাৰতে সামাজিক উন্নয়ন, সংস্কাৰ আৰু একতাৰ কথা কোৱাৰ সময়ত ওড়িশাত এটা বিশেষ সম্প্ৰদায়ে তেওঁলোকৰ শিশুসকলক এগৰাকী দলিত মহিলাই ৰন্ধা খাদ্য গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰা সচাকৈ আচৰ্য্যৰ কথা।

এই ঘটনাক্ৰমক উদ্বেগজনক বুলি অভিহিত কৰি বিৰোধী পক্ষৰ নেতাগৰাকীয়ে কয়, যে অংগনবাড়ী কেন্দ্ৰসমূহে শিশুসকলৰ শাৰিৰীক আৰু মানসিক বিকাশৰ ভেটি গঢ়ে। তেওঁ কয় যে যদিহে জাতি ভিত্তিক বিদ্বেষ এই পৰ্যায়ত অব্যাহত থাকিবলৈ দিয়া হয় তেন্তে শিশুৰ বিকাশ আৰু কল্যানত ইয়াৰ দীৰ্ঘকালিন প্ৰভাৱ পৰিব।

শিক্ষাৰ অধিকাৰৰ নিশ্চয়তা প্ৰদান কৰা সংবিধানৰ ২১-ক অনুচ্ছেদৰ উদ্ধৃতি দি শ্ৰীখাৰ্গেই কয় যে ফলপ্ৰসূ অংগনবাড়ী সেৱা শৈশৱ কালৰ প্ৰাৰম্ভিক পৰিচৰ্যা আৰু শিক্ষাৰ অবিচ্ছেদ্য অংগ। শ্ৰীখাৰ্গে লগতে সকলো প্ৰতিষ্ঠানক সমতা আৰু মৰ্যাদাৰ সাংবিধানিক প্ৰমূল্যৰাজি বৰ্তাই ৰখাৰ বাবে ততালিকে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০০০০০০০

কেন্দ্ৰীয় বাণিজ্য সংঘ আৰু বিভিন্ন শ্ৰমিক সন্থাৰ আহ্বানমৰ্মে আজি দেশজুৰি ৰূপায়ণ হোৱা সাধাৰণ ধৰ্মঘট কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিতত যান-বাহনৰ চলাচল ব্যাহত হোৱাৰ লগতে বিভিন্ন বাণিজ্যিক প্ৰতিষ্ঠানসমূহ বন্ধ থকা পৰিলক্ষিত হৈছে। দেশজুৰি বেংক-বীমা, ডাক সেৱা, মহাগাণনিক বিভাগ, আয়কৰ, বি এছ এন এল, বিভিন্ন ৰাজ্যিক কৰ্মচাৰী সংগঠন, তেল, কয়লা, ৰাজহুৱা কৰ্মচাৰী সংগঠন আদিৰ শ্ৰমিক-কৰ্মচাৰীসকলে শ্ৰম-সংহিতা প্ৰত্যাহাৰৰ দাবীত এই ধৰ্মঘটৰ আহ্বান জনাইছে। অসমৰ মটৰ পৰিবহণ শ্ৰমিক সংগঠনে কেইবাটাও দাবীৰে এই ধৰ্মঘটৰ প্ৰতি সমৰ্থন জনাই ২৪ ঘণ্টাজোৰা চকা বন্ধ ঘোষণা কৰিছে। গুৱাহাটী মহানগৰীতো এই ধৰ্মঘটৰ মিশ্ৰিত প্ৰভাৱ পৰিলক্ষিত হৈছে। গোৱালপাৰা জিলাতো ধৰ্মঘটৰ প্ৰভাৱ পৰিছে। জিলাখনৰ মাজেৰে যোৱা ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে বিভিন্ন স্থানত যান বাহনৰ চলাচল সেৰেঙা হৈছে।

০০০০০০০০০

বাংলাদেশত কটকটীয়া নিৰাপত্তাৰ মাজত সংসদীয় নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। দেশখনৰ ৪২ হাজাৰ ৭৭৯ টা ভোটগ্ৰহণ কেন্দ্ৰত বিয়লি চাৰে চাৰি বজালৈ ভোটগ্ৰহণ চলিব। ছেৰপুৰ বিধানসভা সমষ্টিত এগৰাকী প্ৰাৰ্থীৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত ভোটগ্ৰহণ স্থগিত ৰখা হৈছে। দেশখনৰ নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে, এইবাৰৰ নিৰ্বাচনত ১২ কোটি ৭৭ লাখ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব। প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনা নেতৃত্বাধীন আবামী লীগক নিৰ্বাচনত অংশ গ্ৰহণ কৰিবলৈ দিয়া হোৱা নাই।

দেশখনত সংসদীয় নিৰ্বাচনৰ লগতে জুলাই ঘোষণা পত্ৰ অনুসৰি সাংবিধানিক আৰু প্ৰতিষ্ঠানগত সংস্কাৰ সন্দৰ্ভত জনমত সংগ্ৰহ কৰা হৈছে। ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে প্ৰায় ৯ লাখ ৫৮ হাজাৰ সুৰক্ষাকৰ্মী নিয়োগ কৰা হৈছে আৰু ৯০ শতাংশৰো অধিক ভোটগ্ৰহণ কেন্দ্ৰত চি চি টিভি যোগে নিৰীক্ষণৰ ব্যৱস্থা কৰা হৈছে। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা মতে, পূৰ্বৰ চৰকাৰক ক্ষমতাচ্যুত কৰা জন আন্দোলনৰ প্ৰায় ১৮ মাহ পাছত হোৱা এই নিৰ্বাচন দেশখনত গণতান্ত্ৰিক ভৱিষ্যতৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

বাংলাদেশ নেচনেলিষ্ট পাৰ্টি- বি এন পিৰ সভাপতি তাৰিক ৰহমানে নিৰ্বাচনত তেওঁৰ দল জয় হ'ব বুলি আস্থা প্ৰকাশ কৰে। আজি পুৱা প্ৰায় ৯বাজি ৪০ মিনিটত ঢাকাৰ গুলচন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয় কেন্দ্ৰত ভোটদান কৰি শ্ৰীতাৰিকে ভোটদাতা আৰু দলীয় কৰ্মীসকলক ভোটগ্ৰহণ কেন্দ্ৰত সষ্টম হৈ থাকিবলৈ আহ্বান জনায়। নিৰ্বাচনৰ পূৰ্বে কালি সংঘটিত ঘটনা সন্দৰ্ভত তেওঁ কয়, যে আইন বলবৎকাৰী সংস্থাসমূহে এই সন্দৰ্ভত ক্ষিপ্ৰ আৰু কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

বাংলাদেশ জামাত-ই-ইছলামি দলৰ নেতা আমিৰ ছফিকুৰ ৰহমানে ভোটদান কৰাৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত কয়, যে তেওঁৰ দলে কোনো গুৰুতৰ অনিয়ম হ'বলৈ নিদিয়ে আৰু জনসাধাৰণৰ ভোটদানৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে কাম কৰি যাব। ইপিনে, ইউৰোপীয় সংঘৰ নিৰ্বাচন পৰ্যবেক্ষণ মিছনে দুপৰীয়া ভাগলৈ ভোটদাতাসকলৰ মাজত ইতিবাচক উৎসাহ পৰিলক্ষিত হোৱা বুলি প্ৰকাশ কৰিছে। দেশখনত নিৰ্বাচন আয়োগে শুকুৰবাৰে পুৱাৰ ভাগলৈ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে।

ooooooooo

ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে স্বামী দয়ানন্দ সৰস্বতী জন্মবাৰ্ষিকী উপলক্ষে সমাজ সংস্কাৰকগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে স্বামী দয়ানন্দ সৰস্বতীয়ে সমাজৰ লগতে দেশৰ শিক্ষা ব্যৱস্থাক পথ প্ৰদৰ্শন কৰি আহিছে। তেওঁ কয় যে স্বামী দয়ানন্দ সৰস্বতী আধ্যাত্মিক আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ পৰা দেশ আজিও উপকৃত হৈ আছে।

উপৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে তেওঁৰ বাৰ্তাত কয় যে মহৰ্ষী দয়ানন্দ সৰস্বতীয়ে অন্ধবিশ্বাস, কুসংস্কাৰ আৰু সামাজিক ব্যাধি বিৰোধী সংগ্ৰামৰ নামত নিজৰ জীৱন উৎসৰ্গা কৰি থৈ গৈছে। তেওঁ কয় যে শিক্ষাৰ প্ৰসাৰ, মহিলাৰ সৱলিকৰণ আৰু ভাৰতীয় সংস্কৃতিৰ সংৰক্ষণৰ বাবে তেওঁ চলোৱা প্ৰচেষ্টাই দেশক নতুন আদৰ্শগত দিশ প্ৰদৰ্শন কৰিছে আৰু আত্মসন্মানৰ ভাৱনা জগাই তুলিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিজৰ বাৰ্তাত কয় যে স্বামী দয়ানন্দ সৰস্বতীয়ে অকল শিক্ষাৰৰ প্ৰসাৰৰ ক্ষেত্ৰতেই নহয় বৰং ভাৰতীয় সংস্কৃতি আৰু পৰম্পৰা সমৃদ্ধিশালী কৰি তোলাৰ ক্ষেত্ৰতো অমূল্য অৱদান আগবঢ়াই থৈ গৈছে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কাইলৈ ৰাষ্ট্ৰীয় ৰাজধানীত সেৱা তীৰ্থ ভৱন চৌহদ মুকলি কৰিব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে সেৱা তীৰ্থ আৰু কৰ্তব্য ভৱন এক আৰু দুই আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। তেওঁ লগতে সেৱা তীৰ্থত বিয়লি এটা ৰাজহুৱা কাৰ্যসূচীত ভাগ ল'ব। এই ভৱন কেইটাক দেশৰ প্ৰশাসনিক ব্যৱস্থাত গুৰুত্বপূৰ্ণ ৰূপান্তৰৰ প্ৰতীক হিচাপে ধৰা হৈছে। তদুপৰি, ই আধুনিক, কাৰ্যক্ষম, সুলভ আৰু নাগৰিক কেন্দ্ৰীক প্ৰশাসনিক পৰিস্থিতিতন্ত্ৰ গঢ়ি তোলাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিফলিত কৰিছে।

০০০০০০০০০

টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি শ্ৰীলংকাৰ বালাগোল্লা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত শ্ৰীলংকাই ওমানক ২২৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। শ্ৰীলংকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৫টা উইকেট হেৰুৱাই ২২৫ ৰাণ সংগ্ৰহ কৰে।

বিয়লি ৩ বজাত মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত নেপাল আৰু ইটালি মুখামুখি হ'ব।

প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত ভাৰত নামিবিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০০০

সমাপ্ত